بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ  نَحۡمَدُهٗ وَنُصَلِّىۡ عَلٰى رَسُوۡلِهِ الۡكَرِيۡمِ  وَعَلٰى عَبۡدِهِ الۡمَسِيۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ১১জানুৱাৰীত মছজিদ বায়তুল ফতুহ মৌৰডনৰ (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ, তাউয, তাছমিয়া আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত খালাদ বিন ওমৰ বিন জমুহ আনছাৰী নামৰ এজন চাহাবী আছিল। তেখেতে (ৰাঃ) আছিল বদৰী চাহাবী। তেখেত (ৰাঃ) য়ে নিজৰ দেউতা হজৰত ওমৰ বিন জমুহ আৰু ভায়েক হজৰত মাআজ, হজৰত আবু ইয়ামিন আৰু হজৰত মুৱাজৰীৰ সৈতে বদৰৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল। যুদ্ধ বদৰলৈ যাত্ৰা পথত নবী (ছাঃ)য়ে সৈন্য সামন্তৰ সৈতে মদিনাৰ বাহিৰত ছাকিয়া নামৰ ঠাইত অৱস্থান কৰিছিল।

হজৰত খালাদ (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে ৰছুলে খোদা (ছাঃ) য়ে এই ঠাইখনৰ নাম সলাই হাছিকাৰ পৰা ছাকিয়া ৰাখিছিল। মোৰ ইচ্ছা আছিল যে ঠাইখিনি মই কিনি লওঁ। কিন্তু মোৰ আগতেই হজৰত ছাআদ বিন আবি উকাছে ঠাইখন দুটা উটৰ বিনিময়ত কিনি লৈছিল। যেতিয়া নবী কৰিম (ছাঃ) য়ে কথাটো গম পাইছিল তেতিয়া তেখেত (ছাঃ) য়ে কৈছিল যে তেওঁৰ এই কিনা-বেছা বহুত লাভ দায়ক হৈছে।

খালাদ আৰু তেখেতৰ দেউতা হজৰত ওমৰ বিন জমুহ আৰু হজৰত আবু ইয়ামিন এই তিনিও বদৰৰ যুদ্ধত শ্বাহাদত বৰণ কৰিছিল। হজৰত খালাদ (ৰাঃ) ৰ দেউতাকৰ বিষয়ে উল্লেখ আছে যে যেতিয়া হুযুৰ (ছাঃ) য়ে জিহাদৰ পৰিকল্পনা কৰিছিল তেতিয়া ওমৰুৰ ভৰি আঘাত প্ৰাপ্ত আছিল কাৰণে পুতেক সকলে ওমৰুক বদৰৰ যুদ্ধত অংশ লোৱাত বাধা দিছিল। কিন্তু যেতিয়া আকৌ অহুদৰ যুদ্ধৰ সময় আহিছিল তেতিয়া হজৰত ওমৰুৰ পুতেক সকলক কৈছিল যে তোমালোকে মোক বদৰৰ যুদ্ধত অংশ লবলৈ দিয়া নাই। এতিয়া অহুদৰ সময় আহিছে,এইবাৰ তোমালোকে মোক বাধা দি ৰাখিব নোৱাৰা, মই নিশ্চয় যাম আৰু অহুদৰ যুদ্ধত যোগ দিম। গতিকে তেখেত হুযুৰ (ছাঃ) ৰ ওচৰত গৈ উপস্থিত হয় আৰু জনায় যে মোৰ লৰা সকলে এইবাৰও মোক জিহাদত যাবলৈ মানা কৰি আছে। মই আপোনাৰ লগত জিহাদত অংশ লৱ বিচাৰো। খোদাৰ শপদ ! মই আশা কৰো যে আল্লাহ তায়লা মোৰ মনৰ ইচ্ছা পুৰণ কৰিব আৰু মোক শ্বাহাদত দান কৰিব আৰু মই মোৰ খুৱা ভৰিৰে সৈতে জান্নাতত প্ৰবেশ কৰিম।

আঁহজৰত (ছাঃ) য়ে কৈছিল যে হে ওমৰ। নিশ্চয় আল্লাহ তায়লা আপোনাৰ প্ৰাৰ্থনা কবুল কৰিব কিন্তু জিহাদ আপোনাৰ ওপৰত ফৰজ নহয়। আকৌ তেখেতৰ লৰাহঁতক কৈছিল যে তোমালোকে এখেতক পূণ্য কামলৈ বাধা নিদিবা। এখেতৰ মনৰ ইচ্ছা যিহেতু এনেকুৱা গতিকে এয়া পূৰ্ণ কৰিব দিয়া, কিজানি আল্লাহ তায়লা তেখেতক শ্বহীদ হোৱাৰ সুযোগ দিব পাৰে। সেয়ে হজৰত ওমৰু নিজৰ অস্ত্ৰ তুলি লয় আৰু এয়া দোৱা কৰি অহুদৰ যুদ্ধলৈ যাত্ৰা কৰে যে “আল্লাহুম্মাৰ জুকনি শ্বাহাদাতুন ওয়ালা তুৰাদ্দুনি ইলা আহলি খায়িবা” অৰ্থাৎ হে আল্লাহ ! মোক শ্বাহাদত দান কৰিবা,আৰু মোক বিফল কৰি ঘৰলৈ ওভতাই নানিবা। আল্লাহ তায়লা তেখেতৰ দোৱা কবুল কৰিছিল আৰু তেখেত (ৰাঃ) য়ে অহুদৰ যুদ্ধত শ্বাহাদত বৰণ কৰিছিল। হজৰত খালাদৰ মাক হজৰত হিন্দা বিনতে ওমৰ জাবেৰ বিন আব্দুল্লাহৰ পেহীয়েক আছিল। অহুদৰ যুদ্ধত যেতিয়া তাইৰ স্বামী আৰু পুত্ৰ,ভাইয়েক শ্বহীদ হৈছিল,তাই নিজে উটৰ পিঠিত উটি যুদ্ধলৈ ৰউয়ানা হৈছিল। যেতিয়া তাইৰ সম্পৰ্কে আদেশ জাৰি হৈছিল তেতিয়া তাইক অহুদৰ পৰা ঘুৰাই পঠোৱা হৈছিল। আৰু শ্বহীদ সকলক তাতেই (অহুদত) দফন কৰা হৈছিল।

উক্ত ঘটনাটো ব্যাখ্যা কৰোঁতে হুযুৰ আনোৱাৰ (আইঃ) য়ে উল্লেখ কৰিছে যে হজৰত আয়শা (ৰাঃ) অহুদৰ যুদ্ধৰ খবৰ লবলৈ মদিনাৰ আন আন মহিলা সকলৰ সৈতে অহুদলৈ যাত্ৰা কৰিছিল। যেতিয়া তেখেত (ৰাঃ) য়েই আহি হাৰ্ৰত নামক স্থানত উপস্থিত হৈছিল তেতিয়া হিন্দ বিনতে ওমৰৰ সৈতে সাক্ষাত হৈছিল, যিজনীয়ে নিজৰ উটনীক চলাই লৈ গৈ আছিল। সেই উটনীজনীৰ ওপৰত হিন্দৰ স্বামী,হজৰত ওমৰ বিন জমুন, পুত্ৰ হজৰত খালাদ বিন ওমৰ, আৰু ভাই

হজৰত আব্দুল্লাহ বিন ওমৰুৰ লাচ কঢ়িয়াই লৈ গৈ আছিল। হজৰত আয়েশা (ৰাঃ) য়ে সুধিছিল যে তুমি পিছত এৰি অহা লোক সকলৰ খবৰ জানানে ? তেতিয়া হিন্দই উত্তৰ দিছিল যে ৰছুলে কৰিম (ছাঃ)সুকলমে আছে, তেখেতৰ বাদে সকলোৰে বিপৰ্যস্ত। গতিকে তেখেত (ছাঃ) ভালে আছে যদি তেন্তে তেনে কোনো চিন্তা নাই।

তাৰ পিছত হজৰত আয়শা (ৰাঃ) য়ে সুধিছিল যে উটনীৰ ওপৰত কোন কোন আছে ? হজৰত হিন্দই উত্তৰ দিছিল যে মোৰ ভাই, মোৰ লৰা খালাদ আৰু মোৰ পতি ওমৰ বিন জমুহ আছে। আকৌ হজৰত আয়েশা (ৰাঃ) সুধিছিল যে তুমি তেওঁলোকক কলৈ লৈ গৈ আছা ? তাই উত্তৰত কৈছিল যে এইলোকক মদিনাত দফন কৰিবলৈ লৈ গৈ আছো। তাৰ পিছত হিন্দই নিজৰ উট চলাই দিছিল। কিন্তু উটনীজনী তাতেই বহি পৰিছিল। তাই উটনীজনীক আঘাত কৰাত উটনী থিয় হয় যদিও মদিনালৈ বুলি খেদা দিয়াৰ লগে লগে আকৌ বহি গৈছিল। তাৰ পিছত যেতিয়া উটনীজনীৰ মূখ অহুদৰ ফালে ঘুৰাই দিয়া হৈছিল,তাই বেগেৰে যাবলৈ লৈছিল। ইয়াৰ পিছত হজৰত হিন্দই ৰছুলুল্লাহ (ছাঃ) ৰ ওচৰলৈ আহে আৰু উক্ত ঘটনাখিনি শুনায়। তেতিয়া হুযুৰ (ছাঃ)য়ে কৈছিল যে এই উটনীজনীক মামুৰ কৰা হৈছে। তাৰ পিছত ৰছুলে পাক (ছাঃ) য়ে কৈছিল যে হে হিন্দ ওমৰ বিন জমুহ, তোমাৰ লৰা খালাদ,আৰু তোমাৰ ভাই আব্দুল্লাহ জান্নাতত পৰস্পৰে বন্ধু হৈ থাকিব। তেতিয়া হিন্দই কৈছিল যে ইয়া ৰছুলুল্লাহ মোৰ বাবেও দোৱা কৰক,আল্লাহ তায়লা যেন মোকও সিঁহতৰ ওচৰলৈ পঠাই দিয়ে।

আন এজন চাহাবী আছিল হজৰত উকবা বিন আমৰ আনছাৰী (ৰাঃ)। তেখেতৰ মাকৰ নাম আছিল ফকিহা বিনত ছকিন আৰু দেউতাক আছিল আমৰ বিন নাবি। হজৰত উকবা বিন আমৰ সেই ছয়জন চাহাবাৰ এজন আছিল যি সকলে সৰ্ব প্ৰথম মক্কাত আহি ইছলাম গ্ৰহন কৰিছিল। তেখেত (ৰাঃ) য়ে বয়াতে উকবা প্ৰথমত যোগ দান কৰিছিল। ওপৰত উল্লেখিত ছয়জন চাহাবাৰ নাম আছিল এনেদৰে আবু ইমামা,আছাদ বিন জৰাৰা যিজন বণু নজাৰৰ ফালৰ পৰা আছিল। সত্যায়নৰ ক্ষেত্ৰত তেৰেই আছিল প্ৰথম। তাউফ বিন হাৰিছ, যিজন আঁহজৰত (ছাঃ) ৰ ককাদেউতা আব্দুল মুতালিবৰ ন'নহিয়াল কবিলাৰ লোক আছিল। ৰাফাআ বিন মালিক, যিজন বনু জৰিক কবিলাৰ লোক আছিল। তেতিয়ালৈকে কোৰ-আন চৰিফৰ যিখিনিলৈ অৱতীৰ্ণ হৈছিল সেই খিনি আঁহজৰত (ছাঃ) য়ে তেখেত (ৰাঃ) ক শিকাইছিল। কুতবা বিন আমৰ , এখেত বণি হৰাম গোত্ৰৰ পৰা আহিছিল। জাবেৰ বিন আব্দুল্লাহ বিন ৰিয়াৰ,এখেতে বণি আবিদ গোত্ৰৰ পৰা আহিছিল। ইয়াৰ পিছত এওঁলোকে আঁহজৰত (ছাঃ) ৰ পৰা বিদায় লওঁতে কৈছিল যে আমাক খানা জফি সকলে দুৰ্বল কৰি ৰাখিছে। আমাৰ মাজত পৰস্পৰে বৰ আনবন চলি আছে। আমি ইয়াছৰবত গৈ নিজৰ ভাই সকলক ইছলামৰ তবলিগ কৰিম। আল্লাহ তায়লা আমাক আকৌ আপোনাৰ জৰিয়তে যেন একেলগ কৰি দিয়ে। আমি সকলো প্ৰকাৰে আপোনাক সহায় কৰিবলৈ সাজু থাকিম। এওঁলোকৰ দ্বাৰাই ইয়াছৰবত ইছলামৰ চৰ্চা আৰম্ভ হৈছিল।

সেই বছৰ আঁহজৰত (ছাঃ) য়ে মক্কাত ইয়াছ্‌ৰব সকলৰ ফালৰ পৰা প্ৰকাশ্য সা-সৰঞ্জামেৰে ভয়াতুৰ অৱস্থাত দিন কটাইছিল। তেখেত (ছাঃ) য়ে লক্ষ্য ৰাখিছিল যে তেওঁলোকৰ বা কি অৱস্থা ঘটে আৰু তেওঁলোকৰ দ্বাৰা ইয়াছ্‌ৰিবত কৃতকাৰ্য্যতাৰ আশা কৰিব পাৰিনে নোৱাৰি।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে সেই দিনবোৰত মক্কাবাসী সকলৰ জুলুম অত্যাচাৰ দিনক দিনে বাঢ়ি গৈছিল আৰু তেওঁলোকে ভাৱিছিল যে ইছলামক নিঃশ্বেষ কৰাৰ এয়াই উপযুক্ত সময়। কিন্তু সেই অপৈনত দুৰ্বল অৱস্থাত আঁহজৰত (ছাঃ) আৰু তেখেতৰ মুখলিছ চাহাবী সকলে এটা সুৰক্ষিত পাহাৰৰ দৰে নিজৰ ঠাইত অবিচল আছিল। তেখেত (ছাঃ) ৰ এই সাহস আৰু দক্ষতাই মাজে সময়ে তেখেত (ছাঃ) ৰ বিৰুধী সকলক বিচলিত কৰি পেলাইছিল যে এই ব্যক্তিজন কেনেকুৱা মানসিক শক্তিৰ অধিকাৰী, কোনো বস্তুয়েই তেওঁক নিজৰ সিদ্ধান্তৰ পৰা লৰচৰ কৰাব নোৱাৰে। বিশেষকৈ সেই সময় ছোৱাত আঁহজৰত (ছাঃ) ৰ মুখ নিসৃত বানীত বিশেষ এটা ভয় সঞ্চাৰিত বিজয়ী ভাৰ প্ৰস্ফুটিত হৈছিল। আঁহজৰত (ছাঃ) য়ে যেতিয়া কথা কৈছিল, কথাবোৰ আছিল বিস্ময়ান্বিত আৰু বিনিৰ্ণীত বিজয়ীৰ ভাৱ সম্পন্ন। দুঃখ দুৰ্গতিৰ সেই প্ৰলয় সদৃশ দুমুহাৰ মাজতও তেখেত (ছাঃ) ৰ শিৰ উন্নত হৈ উঠিছিল। এই দৃশ্যই মক্কাৰ কুৰাইছ সকলৰ এফালে বিভ্ৰান্তিত পেলাইছিল আনফালে সিঁহতৰ ৰক্ষ কঁপাই তুলিছিল। সেই দিনবোৰ বিষয়ে ছাৰ উইলিয়ম

মেৰৰে লিখিছে যে -সেই দিনবোৰত মহম্মদ (ছাঃ)য়ে নিজৰ সম্প্ৰদায়ৰ মাজত এনে ৰক্ষ প্ৰতাপি আছিল যে সম্প্ৰদায়ৰ লোকে মাজে মাজে সময়ে কোনো কু-কাৰ্য্য কৰিবলৈ সাহস কৰা নাছিল। তেখেত (ছাঃ) য়ে অৱশেষত গৈ নিজৰ বিজয় অৱশ্যম্ভাৱী বুলি বিশ্বাসত ভৰপুৰ আছিল। কিন্তু প্ৰকাশ্যত দুৰ্বল আৰু নিঃসহায় আছিল আৰু তেখেত (ছাঃ)ৰ সৰু পৰিয়ালবৰ্গ যেনিবা বাঘৰ মুখৰ টোপ হৈ আছিল। কিন্তু তথাপি খোদা তায়লাৰ কৃপাৰ প্ৰতিশ্ৰুতি ওপৰত পূৰ্ণ বিশ্বাস ৰাখিছিল, যিজনাই তেখেতক ৰছুল বনাই প্ৰেৰণ কৰিছিল। মহম্মদ (ছাঃ) য়ে এনেকুৱা মনোবলৰ সৈতে নিজৰ সিদ্ধান্ত অটুট আছিল যাক কোনো বস্তুয়েই লৰচৰ কৰিব নোৱাৰিছিল।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে এটা সময়ত ইছলামৰ বৰ অসহায় অৱস্থা আছিল। মক্কা বাসীলৈ কোনো ধৰণৰ আশা কৰিব পৰা নগৈছিল। কিন্তু মদিনাৰ ফালে আশাৰ কিৰণ প্ৰজ্বলিত হ'ব ধৰিছিল। সেই লোক কেইজনে যে বয়াত কৰি গৈছিল, তেওঁলোকলৈ আঁহজৰত (ছাঃ) য়ে বৰ আশাৰে বাট চাই আছিল। যাতে মদিনা বাসীয়েও মক্কা আৰু তায়েফৰ দৰে তেখেতক যেন বাতিল নকৰে। কিন্তু তেওঁলোকৰ ভাগ্য বেলেগ ৰঙেৰে লিখা হৈছিল। গতিকে যেতিয়া হজ্বৰ সময়ত তেখেত (ছাঃ) য়ে প্ৰসন্ন মনেৰে ঘৰৰ পৰা ওলাই যায় আৰু মিনাৰ কাষত উকবাত গৈ উপস্থিত হৈছিল আৰু ইফালে সিফালে চাই ইয়াছৰিবৰ এটা সৰু জমাত দেখিবলৈ পাইছিল। যি সকলে তেখেত (ছাঃ) ক দেখি চিনি পাইছিল আৰু অতি মৰম আৰু আগ্ৰহেৰে আগুৱাই আহি আঁহজৰত (ছাঃ) ৰ লগত মিলিছিল। তেখেত সকলৰ দলত বাৰজন ব্যক্তি আছিল। ইয়াৰে পাঁচজন তাৰে আগৰ বছৰৰ পৰিচিত আছিল আৰু সাতজন আছিল নতুন আৰু এওঁলোক আউজ আৰু খজৰজ গোত্ৰৰ আছিল। হজৰত উকবা বিন আমৰ সেই বয়াতত উপস্থিত আছিল।

আঁহজৰত (ছাঃ) য়ে বেলেগ লোকৰ পৰা আতঁৰি গৈ এখন ঘাটিত এওঁলোকৰ সৈতে মিলিত হৈছিল। তেওঁলোকে ইয়াছৰিবৰ খা-খবৰ শুনাইছিল আৰু সকলোৱে নিয়মিত তেখেত (ছাঃ) ৰ হাতত বয়াত কৰিছিল। এই বয়াতেই আছিল মদিনাত ইছলাম প্ৰতিষ্ঠাৰ ভিত্তি প্ৰস্তৰ। বয়াতৰ পিছত আঁহজৰত (ছাঃ) য়ে কৈছিল যে যদি তোমালোকে সত্য আৰু দৃঢ়তাৰে এই শপত অটুট ৰাখা তেন্তে তোমালোকৰ ভাগ্যত জান্নাত হ'ব আৰু দুৰ্বলতা দেখুৱা তেন্তে তোমালোকৰ বিষয়টো আল্লাহ তায়লাৰ হাতত সি যি ইচ্ছা তাকে কৰিব।

এই বয়াত ইতিহাসত বয়াতে উকবা উলা (প্ৰথম) নামেৰে জনাজাত। কাৰণ যি ঠাইখনত বয়াত লোৱা হৈছিল সেই ঠাইখনৰ নাম উকবা বুলি জনা যায়। এই ঠাইখন মক্কা আৰু মিনাৰ মধ্যবৰ্ত্তী ঠাই। উকবা শব্দৰ অৰ্থ হ'ল উচ্চ গিৰিপথ। মক্কাৰ পৰা বিদায় লোৱাৰ সময়ত উক্ত বাৰজন ন'মুছলিমে দৰখস্ত কৰিছিল যে কোনো এজন ইছলামী মুৱাল্লিম (শিক্ষক) আমাৰ লগত পঠোৱা হওঁক। যিজনে আমাক ইছলামৰ বিষয়ে শিক্ষা প্ৰদান কৰিব পাৰে। লগতে আমাৰ পৌত্তলিক ভাই সকলক ইছলামৰ তবলিগ কৰিব পাৰে। আঁহজৰত (ছাঃ) য়ে মুচআব বিন আমিৰক যিজন আবদালদাৰ কবিলাৰ এজন মুখলিচ ডেকা আছিল, এওঁলোকৰ লগত পঠাই দিছিল।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে বয়াতে উকবা ছানিয়া (দ্বিতীয়) ১৩ নববীত অনুষ্ঠিত হৈছিল আৰু তাত ৭০ জন আনছাৰ বয়াত গ্ৰহন কৰিছিল। হজৰত উকবা বিন আমৰ যুদ্ধ বদৰ, অহুদ,আৰু খন্দকৰ সৈতে বাকী সকলো যুদ্ধত আঁহজৰত (ছাঃ) ৰ লগত যোগ দিছিল। তেখেত (ৰাঃ) ক অহুদৰ দিনা সৈন্য সামন্ত সকলৰ মাজত সেউজীয়া ৰঙৰ পোছাক পৰিধানৰ কাৰণে চিনিব পৰা গৈছিল। এখেত (ৰাঃ) য়ে হজৰত আবু বক্কৰৰ খিলাফত কালত ১২ হিজৰিত ইমামাৰ যুদ্ধত শ্বাহাদত বৰণ কৰিছিল।

হজৰত উকবা বিন আমৰ (ৰাঃ) বৰ্ণনা কৰিছে যে মই মোৰ পুত্ৰকলৈ আঁহজৰত (ছাঃ) ৰ ওচৰত গৈছিলো তেতিয়া তাৰ বয়স আছিল ৯ বছৰ। মই আবেদন জনাইছিলো ইয়া ৰছুলুল্লাহ ! মোৰ মা-দেউতা আপোনাতে কোৰ-বান, মোৰ লৰাটোক দোৱা শিকাই দিয়ক, যাৰ জৰিয়তে এওঁ আল্লাহৰ ওচৰত দোৱা কৰিব পাৰে। তেখেত (ছাঃ) য়ে কৈছিল হে লৰা ! কোৱা "আল্লাহুম্মা আন্নি আছআলুকা চাহতান ফি ঈমানুন ওয়া ঈমানি ফি হুছনি খালকিন ওয়া চালাহান ইয়াতাবিয়াহু নাজ্জাহ" অৰ্থাৎ হে আল্লাহ ! মই তোমাতে পূৰ ঈমানৰ মানসিকতা বিছাৰো আৰু ঈমানৰ সৈতে এই মনোৰম

সৃষ্টিৰ প্ৰতি দোৱা কৰো, আৰু ইচলাহৰ পিছত কৃতকাৰ্য্যতা বিচাৰো। আল্লাহ্ তায়লা সেই চাহাবা সকলৰ মৰ্যদা উন্নীত কৰক।

হুযুৰ আনোৱাৰ (আইঃ) য়ে নমাজে জুমাৰ পিছত ছিষ্টাৰ আলিয়া শ্বাহীদ চাহিবা মৰহুমাৰ নমাজে জানাজা পঢ়াৰ ঘোষণা কৰে। তাই মৰহুম আহমদ শ্বাহীদ চাহাব (আমেৰিকা) ৰ পত্নী আছিল। ২৬ ডিচেম্বৰ ২০১৮ চনত ১০৫ বছৰ বয়সত আমেৰিকাত এক দীঘলীয়া বয়সৰ পুৰণি বুজুৰ্গ মহিলাজনীৰ দেহৰ সান ঘটিছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন।

আমেৰিকাৰ আমিৰ চাহাবে লিখিছে যে মৰহুমা চিষ্টাৰ ১৯৩৬ চনত বয়াত গ্ৰহনৰ সৌভাগ্য লাভ কৰিছিল। তাই ১৯৬৩ চনৰ পৰা ১৯৬৬ চনলৈ সদৰ লাজনা মৰহুমায় লাজনা ইমাউল্লাহ্ আমেৰিকাত ৫০ বছৰ কাল জেনেৰেল চেক্ৰেটাৰী, চেক্ৰেটাৰী তালিম, চেক্ৰেটাৰী খিদমতে খালক, আৰু স্থানীয় সদৰ লাজনা হিচাপে খিদমত কৰাৰ তৌফিক লাভ কৰিছিল। তাই সদায় জমাত আৰু খিলাফতৰ সৈতে গভীৰ সম্পৰ্ক বজাই ৰাখিছিল। লগতে সকলো ধৰণৰ কোৰবাণীৰ নিমিত্তে সাজু হৈ থাকিছিল। তাই বৰ মৰমীয়াল লোক আছিল। আল্লাহ্ তায়লা মৰহুমাৰ মৰ্যদা উন্নীত কৰক। আল্লাহ্ তায়লা মৰহুমাৰ বংশধৰ সকলক দ্বীনৰ খিদমতৰ সেই গুঢ়াৰ্থ বুজাৰ তৌফিক দান কৰক যি তাইৰ মাজত প্ৰজ্বলিত আছিল। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwa 11 Jan.. 2019**

**(BOOK POST PRINTED MATTER)**

**To**

-----------------------------------------------------------------------------

-----------------------------------------------------------------------------

-----------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**